# হিন্দু সংস্কৃতিত বৌদ্ধ দৰ্শনৰ প্ৰভাৱ

৬০০ খৃষ্টাব্দপূৰ্বত ভাৰতত ধৰ্ম আৰু দৰ্শনৰ কিছুমান নতুন ধাৰাৰ সৃষ্টি হৈছিল তাৰ ভিতৰত বৌদ্ধ দৰ্শন প্ৰধানতঃ উল্লেখযোগ্য। বৌদ্ধ দৰ্শনে দেশখনৰ বৃহৎ অংশৰ জনসাধাৰণৰ জীৱন আৰু চিন্তাত কিছুমান পৰিৱৰ্তন আনিছিল যি হিন্দু সংস্কৃতিৰ প্ৰতিদ্বন্দীৰ দৰে থিয় দি এক নিজস্ব সংস্কৃতিৰ ধাৰা বোৱাইছিল। পিছত হিন্দু সংস্কৃতিৰ প্ৰভাৱত বৌদ্ধদৰ্শন নোহোৱা হৈছিল যদিও ভাৰতীয় মানুহৰ মন আৰু জীৱনৰ ওপৰত এক গভীৰ আৰু স্থায়ী ছাপ ৰাখি যাবলৈ সক্ষম হয়।

যিকোনো এটা বিষয় অধ্যয়ন কৰিবলৈ ল'লে কিছুমান সমলৰ ওপৰত গুৰুত্ব দিবলগীয়া হয়, ঠিক তেনেকৈ বৌদ্ধ ধৰ্ম বা দৰ্শন অধ্যয়ন কৰিবলৈ লোৱা সময়ছোৱাত বৌদ্ধ, হিন্দু বা অইন সাহিত্যৰ উপৰিও সেই সময়ত অহা বিদেশী বিশেষকৈ ভাৰতৰ সংস্পৰ্শলৈ অহা গ্ৰীক সকলৰ লিখনীয়ে সহায় কৰে। এই বিলাকৰ পৰা সংগ্ৰহ কৰা তথ্যই কম বেছি পৰিমাণে এক ঐতিহাসিক বিৱৰণ প্ৰস্তুত কৰাত সহায় কৰিছে।

আমি বৌদ্ধ ধৰ্মৰ প্ৰচাৰৰ আগতে ভাৰতবৰ্ষৰ ৰাজ্য সমূহৰ বিষয়ে অধ্যয়ন কৰাটো যথেষ্ট গুৰুত্বপূৰ্ণ কিয়নো সেইসময়ত ভাৰতৰ ৰাজ্যসমূহ কেবাখনো সৰু সৰু ৰাজ্যত (জনপদ, মহাজন পদ আদিত) বিভক্ত হৈ আছিল। ষষ্ঠ শতিকাৰ প্ৰথম ভাগত কোশল, মগধ, বৎস আৰু অৱন্তি আদি ৰাজ্যই যথেষ্ট সমৃদ্ধি লাভ কৰিছিল। এই বিলাক ৰাজ্যৰ ভিতৰত মগধেই আছিল আটাইতকৈ শক্তিশালী। মগধে আন আন সৰু ৰাজ্যবোৰ জয় কৰি এক বিশাল সাম্ৰাজ্য প্ৰতিষ্ঠা কৰিছিল। মৌৰ্য্য বংশৰ ৰজা অশোকৰ ৰাজত্ব কালত বৌদ্ধধৰ্মই অভূতপূৰ্ব প্ৰসাৰতা লভা কৰিছিল। মৌৰ্য্য সাম্ৰাজ্য ধংসৰ পিছত শুংগবংশ প্ৰতিষ্ঠা হয় তেতিয়া শুংগৰাজ সকলে ৰাজ্যৰ ৰাজধানী মালোৱালৈ স্থানান্তৰ কৰিছিল। তেওঁলোকৰ ৰাজত্ব কালতে ৰাজ্যখন কিছুমান সৰু সৰু ৰাজ্যত বিভক্ত হৈছিল। শুংগবংশৰ পিছত উত্তৰ পশ্চিম দিশৰ পৰা গ্ৰীক সকল ভাৰতলৈ আহিছিল, গ্ৰীক সকলৰ পিছত স্কিথিয়ান সকল আহিছিল যাক ইতিহাসত শক কোৱা হয়। তেওঁলোকৰ পিছত পল্লৱ সকল ভাৰতবৰ্ষলৈ আহিছিল। পল্লৱসকল পাৰস্যৰ আছিল। পল্লৱ সকলৰ পিছত আহিল কুশান সকল। কুশান সকলৰ সৰ্ব্বশ্ৰেষ্ঠ ৰজা আছিল কণিষ্ক। কণিষ্কই বৌদ্ধ ধৰ্ম গ্ৰহণ কৰি মহাযান পন্থাৰ বিকাশ সাধন কৰিছিল। কণিষ্ক আছিল গান্ধাৰ শিল্পৰো পৃষ্ঠপোষক।

আমি ইতিহাসত পাওঁ যে পৰৱৰ্তী বৈদিক যুগৰ (সাম, যজুঃ আৰু অথৰ্ব বেদ) শেষৰ ফালে ভাৰতত বেদ নিসৃত ব্ৰাহ্মণ্য ধৰ্মৰ বিৰুদ্ধে বিশেষকৈ গংগা-যমুনা অৱবাহিকা আৰু উত্তৰ প্ৰদেশৰ পূৰ্বভাগ, বিহাৰ আৰু বিহাৰৰ পাশ্বৰ্ৱৰ্তী অঞ্চলত এক প্ৰৱল প্ৰতিবাদৰ জোৱাৰ উঠিছিল আৰু ধৰ্মীয় জীৱনৰ ভাৰসাম্য হেৰুৱাইছিল। বলি-বিধন, পূজা-পাটল আদিৰ প্ৰচলন বাঢ়ি গৈছিল। কিন্তু উপনিষদৰ ব্যাখ্যাই এই বিলাকৰ বিৰোধিতা কৰি এক আদৰ্শবাদী দৰ্শনৰ ধাৰা ভাৰতবৰ্ষত প্ৰচলিত কৰিছিল। সময়ত জাতিভেদ প্ৰথাও ক্ৰমশঃ কঠোৰ হৈ আহিছিল যাৰ ফলত উচ্চ বৰ্ণৰ লোকসকলে সমাজত সকলো সুবিধা ভোগ কৰিবলৈ লৈছিল আৰু তেতিয়াই আবিৰ্ভাৱ হৈছিল সিদ্ধাৰ্থ বা বুদ্ধৰ প্ৰায় (খ্ৰীঃ পূঃ  ৫৬৩ ৰ পৰা ৪৮২ লৈ)। বুদ্ধই পৃথিৱীৰ মানুহৰ প্ৰতি আগবঢ়ালে আত্ম-সংস্কৃতি, আত্ম-সংযম, প্ৰেম আৰু দয়াৰ বাণী।

বুদ্ধৰ শিক্ষাৰ মূল হল বাৰাণাসীত তেওঁ যেতিয়া 'বোধি' বা জ্ঞান প্ৰাপ্ত হয় তাৰ পিছত দিয়া বাণী। তেওঁ কৈছিল — "হে ভিক্ষুসৰ, শুনা! যি পাৰ্থিৱতা বিসৰ্জন দিব খোজে তেওঁ ভোগৰ আতিশয্য আৰু ভোগৰ অন্যায় বৰ্জন উভয়কে পৰিহাৰ কৰি চলা উচিত। যি বস্তুয়ে মনক কামনাৰে, বিশেষকৈ দৈহিক কামনাৰে আকৰ্ষিত কৰে, তেনে বস্তুৰ প্ৰতি তেওঁ আসক্ত হোৱা অনুসিত, তেনে  জীৱন কেৱল পাৰ্থিৱ জাতৰ অন্ধ উপাসকৰ বাবে উপযুক্ত নীচ, অৰ্থহীন আৰু অজ্ঞাতপূৰ্ণ অপদাৰ্থ জীৱন। আনহাতে, তেওঁ আত্ম-পীড়ন গ্ৰহণ কৰা অনুচিত। সেইটোও কষ্টদায়ক, অৱমাননাজনক আৰু অদকৰিবী। ভিক্ষুসৰ, এই উভয়ৰে মাজত এটা মধ্যপথ তথাগতই (বুদ্ধ) বিচাৰি পাইছে। এই পথ অনুসৰণ কৰিলে চকু মুকলি হয়, মন পোহৰ হয়। ই হৈছে মানসিক শান্তি, উচ্চতৰ প্ৰজ্ঞা, জ্ঞানলোক আৰু নিৰ্বাণৰ পথ।"

বুদ্ধৰ মতে বিশ্ব ব্ৰহ্মাণ্ডৰ সকলো বস্তুৰেই চেতন আৰু অচেতন, জীৱ আৰু জড়, পৰিবৰ্তনশীল। এই ধাৰণাৰ ওপৰত নিৰ্ভৰ কৰিয়েই তেওঁ  সকলো, বস্তু জীৱ আৰু জড়, যে অনিত্য আৰু এই অনিত্য অৱস্থাৰ পৰা নিত্য অৰ্থাৎ নিৰ্বানলৈ গতি কৰিব পাৰি তাৰেই সন্ধান দিছিল। বুদ্ধই মানুহৰ মনত দুখৰ অনুভূতি অনুভৱ কৰিছিল যি অনুভূতিয়ে তেওঁক প্ৰতিবিধান দিবলৈ আধ্যাত্মিক অনুশীলনৰ আৱশ্যক অনুভৱ কৰিছিল। যাৰ নাম বুদ্ধই দিছিল শান্তি বা নিৰ্বান। তেওঁ কৈছে, "সত্যৰ

উপলব্ধিৰ যোগেদি যি মুক্তি আৰু শান্তি লাভ কৰে তেওঁৰেই নিজৰ চিন্তাত. কথাত আৰু কামত পৰিপূৰ্ণ প্ৰশান্তি অনুভৱ কৰে। বাৰাণসী বাণীত বুদ্ধই তেওঁৰ অভিজ্ঞতাৰ কথা কৈছে, তেওঁৰ সত্য দৰ্শনৰ কথা, জীৱনৰ কষ্টৰ কথা, দুখ-কষ্ট কি, ই কিয় উদ্ভৱ হয় আৰু এই বিলাক কেনেকৈ নাইকীয়া হয় আৰু ইয়াৰ পৰা হাত সাৰিবলৈ কোনটো পথ গ্ৰহণ কৰা উচিত। বুদ্ধই দুখ কষ্টৰ পৰা হাত সাৰিবলৈ অষ্ট মাৰ্গৰ নিৰ্দেশ দিছে। আত্ম সংযম, সৎকৰ্ম, সৎদৃষ্টি, সৎ সংকল্প, সৎ জীৱিকা, সৎ যত্ন, সৎ স্মৃতি, আৰু সাৰ্বজনীন প্ৰেমৰ বাণীৰ দ্বাৰা সকলো কৰ্ম সুকলমে কৰিব পাৰি বুলি বুদ্ধই নিৰ্দেশ দিছে। বুদ্ধই প্ৰেমৰ বিধি ব্যাখ্যা কৰিছে এনেদৰে, "ঘৃণাৰ প্ৰত্যুত্তৰ ঘৃণাৰে দিলে ঘৃণা অন্ত নপৰে ঘৃণাৰ প্ৰত্যুত্তৰ প্ৰেমেৰে দিলেহে ঘৃণা অন্ত পৰে। এইটো ইয়াৰ প্ৰকৃতি। কোনোবাই যদি সুখী জীৱন যাপন কৰিব খুজিছে, তেন্তে তেওঁ তেওঁৰ শত্ৰুক ঘৃণা কৰা অনুচিত। ঘৃণাক প্ৰেমেৰে, অসততাক সততাৰে, লোভক উদাৰতাৰে আৰু অসত্যক সত্যৰে জয় কৰা।" এয়াই আছিল বুদ্ধৰ মহান বাণী যি বাণীয়ে মানুহক, মানুহৰ হৃদয়ক মহান হ'বলৈ শিক্ষা দিয়ে।

বুদ্ধৰ মৃত্যুৰ এশবছৰ পিছত বৌদ্ধধৰ্ম কোশল আৰু মগধতে সীমাবদ্ধ আছিল। আশোকৰ ৰাজত্ব কালত এই ধৰ্ম ভাৰতৰ বাহিৰে বিদেশতো প্ৰচাৰ লাভ কৰিছিল। কুশান ৰজা কণিষ্কৰ ৰাজত্ব কালত বসুমিত্ৰৰ নেতৃত্ব আৰু বিখ্যাত বৌদ্ধ পণ্ডিত অশ্বঘোষৰ প্ৰযত্নত কাশ্মীৰত চতুৰ্থ বৌদ্ধ মহামেল অনুষ্ঠিত হয় আৰু বৌদ্ধ সম্প্ৰদায় তিনিটা নতুন ভাগত বিভক্ত হয়। এই তিনিটা গোট সৰ্বস্তিবাদী, মহাযান পন্থী আৰু হীনযান পন্থী নামে জনাযায়। কণিষ্ক মহাযান পন্থাই দেৱতাসকলক বিশ্বাস কৰিছিল, বুদ্ধকে শ্ৰেষ্ঠ দেৱতাৰূপে পূজা কৰিছিল। কোঠৰ আত্ম সংযম আৰু আত্ম-সংস্কৃতিৰ পৰিবৰ্তে এই পন্থাই ভক্তি, প্ৰাৰ্থনা আৰু পৰোপকাৰত গুৰুত্ব দিছিল।

কিন্তু এই যুগৰ শেষৰ ফালে বৌদ্ধধৰ্মৰ পতন হয়। বৌদ্ধ পন্থাৰ মাজত হোৱা আত্মকলহ, সংঘবিলাকৰ অত্যাধিক দান লাভ কৰাৰ বাবে ভিক্ষুসকলৰ বিলাসী জীৱন উপভোগ কৰাৰ প্ৰৱণতাই নৈতিক পতনৰ ফালে আগুৱাই লৈ যায় আৰু শেষত বুদ্ধক হিন্দু ধৰ্মৰ দশৱতাৰৰ এটা অৱতাৰ হিচাপে মানি লোৱা হয়।

সি যি কি নহওক, ধৰ্ম-সংঘৰ ভিতৰত চলি অহা বাদ-বিবাদ আৰু বিভাজনৰ পিছতো মূলতঃ বৌদ্ধ ধৰ্ম পৃথিৱীৰ বিভিন্ন দেশত প্ৰসাৰ লাভ কৰিছিল। বৌদ্ধ ধৰ্ম আৰু দৰ্শনে ভাৰতীয় তথা বিশ্বৰ সভ্যতা-সংস্কৃতিলৈ এক গুৰুত্ব পূৰ্ণ অৱদান আগবাঢ়াইছে। বুদ্ধৰ জীৱনকালৰ পৰা অদ্যপৰিমিত এই ধৰ্ম আৰু দৰ্শনে বিশ্বৰ কোটি কোটি মানুহক আকৰ্ষণ কৰি আহিছে। সেয়েহে বৌদ্ধ ধৰ্ম আজি বিশ্বৰ এক প্ৰধান ধৰ্মীয় ধাৰা ৰূপে পৰিগণিত। ❑

**প্ৰসংগ টোকা ঃ**

১। 'ভাৰত বুৰঞ্জী'- অধ্যক্ষ মৃদুপৱন গোস্বামী আৰু অধ্যক্ষ চেনেহী বেগম।

শ্ৰীশ্ৰী গণেশ মন্দিৰ ঃ বাৰ্ষিক মুখপত্ৰ 'পুষ্পাঞ্জলি'ত প্ৰকাশিত